# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 12-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::***

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ  বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ বাবে ছিংগাপুৰলৈ যোৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ভ্ৰমণৰ দ্বিতীয় দিনা দেশখনৰ উপ প্ৰধানমন্ত্ৰী তথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী গেন কিম য়ঙক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে উদ্ভাৱনমুখী অৰ্থনীতি, ছেমিকণ্ডাক্টৰ, দক্ষতা আৰু সেউজ শক্তিৰ সহযোগিতাৰ জৰিয়তে ভাৰত-এছিয়ান কৌশলগত অংশীদাৰিত্বত অসমৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে অসম আৰু ছিংগাপুৰৰ মাজত থকা সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত উপ প্ৰধানমন্ত্ৰীগৰাকীৰ দায়বদ্ধতাৰ শলাগ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি পুৱা ছিংগাপুৰৰ চেমিকনডাক্টৰ উদ্যোগৰ মূল অংশীদৰসকলৰ সৈতেও এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত অংশগ্ৰহণ কৰা টাটা ইলেকট্ৰনিক্স, ফুজি মেচিন মেনুফেক্চাৰিং, কিচাইট টেক, ইকো ছফট্, ছিংগাপুৰ বিজনেচ ফেডাৰেশ্বন আৰু ইণ্ডিয়ান এছিয়ান গোটৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব’তো অংশ লয়। ২০০তকৈও অধিক ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰা এই ৰোড শ্ব’ত বিনিয়োগকাৰীসকলে ভাৰতৰ অৰ্থনৈতিক সম্ভাৱনাৰ ক্ষেত্ৰত অসমৰ ভূমিকাক লৈ আগ্ৰহ প্ৰকাশ কৰে।

০০০০

স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে আজি জনতা ভৱনত ৰাজ্যৰ বিভিন্ন চৰকাৰী চিকিৎসালয়সমূহত ৪০০ নতুন চিকিৎসক নিযুক্তিৰ বাবে  অতি শীঘ্ৰে বিজ্ঞাপন প্ৰকাশ কৰা হ’ব বুলি ঘোষণা কৰিছে। ৰাষ্ট্ৰীয় পেলু নিৰ্মুলকৰণ অভিযানত ৰাজ্যৰ অগ্ৰগতিৰ সন্দৰ্ভত স্বাস্থ্য বিভাগৰ শীৰ্ষ আমোলা বিষয়াৰ সৈতে এক বিশেষ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত স্বাস্থ্য  সেৱা অধিক সূচল আৰু স্বাস্থ্য আন্তঃগাথনি অধিক সৱল কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে ৪০০ নতুন চিকিৎসকক নিযুক্তিৰ ব্যৱস্থা কৰিছে। ৰাষ্ট্ৰীয় পেলু নিৰ্মুলকৰণ অভিযানৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে ২২ হাজাৰ চৰকাৰী বিদ্যালয়ত স্বাস্থ্য  বিভাগে শিশুৰ পেলু নাশৰ বাবে ঔষধ প্ৰদান কৰিছে। অহা ১৭ ফেব্ৰুৱাৰীলৈকে এই অভিযান চলিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সমগ্ৰ অভিযানত ডেৰ লাখ চৰকাৰী শিক্ষক, কৰ্মচাৰী, অঙ্গনবাড়ী কৰ্মীয়ে সেৱা আগবঢ়াইছে। ৪৩ লাখ মানুহক শেহতীয়াকৈ যক্ষ্মা ৰোগৰ পৰীক্ষা কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে।

০০০০

অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি ডিমা হাচাও জিলাৰ চাম্পৰিদিশা গাওঁ পৰিদৰ্শন কৰি অঞ্চলটোৰ চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণৰ সন্দৰ্ভত বুজ লয়। ৰাজ্যপালগৰাকীয়ে বিশেষকৈ খোৱাপানী যোগান, শিক্ষাৰ আন্তঃগাথনি আৰু স্বাস্থ্যসেৱাৰ সন্দৰ্ভত গাওঁবাসী আৰু গাওঁপ্ৰধানৰ সৈতে বিতংভাৱে আলোচনা কৰে। গাওঁবাসীক লক্ষ্মন প্ৰসাদ আচাৰ্যই জলজীৱন মিছন, অৰুণোদয়, পি এম কিষাণ আদি আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰিবৰ বাবে আহ্বান জনায়। ভ্ৰমণৰ সময়ছোৱাত ৰাজ্যপালগৰাকীয়ে চাম্পৰিদিশা প্ৰাথমিক  বিদ্যালয়ত উপস্থিত হৈ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতেও মত বিনিময় কৰে। প্ৰধান শিক্ষকগৰাকীক বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ সকলো ব্যৱস্থা নিয়াৰিকৈ চলাবৰ বাবে আহ্বান জনায়। ইয়াৰ পিছতে ৰাজ্যপাল

লক্ষ্মন প্ৰসাদ আচাৰ্যই জিলাখনৰ আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু নিৰাপত্তাৰক্ষী বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হৈ চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণৰ সন্দৰ্ভত সবিশেষ বুজ লয়।

০০০০

মৰিগাঁৱৰ কৃষ্ণানন্দ দেৱ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত গোবিন্দ ভৱন গীতা সত্ৰৰ কেন্দ্ৰীয় দ্বিতীয় বাৰ্ষিক অধিবেশনৰ আজি সামৰণি পৰে। আজি অন্তিম দিনা মুকলি সভাত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত কয় যে বৈষ্ণৱ পণ্ডিত, মুক্তিযোদ্ধা আৰু বঙাইগাঁও বিধানসভা সমষ্টিক দুবাৰকৈ বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰা কৃষ্ণানন্দ দেৱে গোবিন্দ ভৱন গীতা সত্ৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁ অসমৰ উপৰি পশ্চিমবংগতো ৫৬খন বৈষ্ণৱী সত্ৰ প্ৰতিষ্ঠা কৰিছিল বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মুকলি সভাৰ লগতে ভাগৱত শোভাযাত্ৰাত অগণন লোকে অংশগ্ৰহণ কৰে।

০০০০

বাক্সা জিলাৰ সদৰ মুছলপুৰৰ মুখ্য কাৰ্যালয় চৌহদত আজি বাক্সা জিলা সাহিত্য সভাৰ ২০ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা সাহিত্য সভাৰ পতাকা উত্তোলন কৰে জলগাওঁ অধিবেশনৰ আদৰণি সমিতিৰ সভাপতি ৰজত খাটনিয়াৰে। এই অনুষ্ঠানত বাক্সা জিলা সাহিত্য সভাৰ সম্পাদক জামিনী দাস তালুকদাৰ, বাক্সা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দামোদৰ তালুকদাৰকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয় তথা অন্তিমখন খেলত ভাৰতে ইংলেণ্ডক ১৪২ ৰাণত পৰাস্ত কৰে। এই জয়েৰে ভাৰতে তিনিখনীয়া শৃংখলাটোত ৩-০ৰ ব্যৱধানত জয়লাভ কৰি শৃংখলা হস্তগত কৰে। আজি ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩৫৬ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ শুভমন গিলে ১০২ টা বলত ১১২ ৰাণ কৰাৰ বিপৰীতে শ্ৰেয়াছ আয়াৰে ৭৮ আৰু বিৰাট কোহলীয়ে ৫২ ৰাণ সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ আদিল ৰচিদে ৪ টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৩৫৭ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি ইংলেণ্ডে ৩৪ অভাৰ ২ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২১৪ ৰাণহে কৰিবলৈ সক্ষম হয়। ইংলেণ্ডৰ হৈ টম বেনতম আৰু গাছ আতকিনচনে সৰ্বাধিক ৩৮ ৰাণকৈ সংগ্ৰহ কৰে। ভাৰতৰ হৈ অশদীপ সিং, হৰদিক পাণ্ডিয়া, অক্ষৰ পেটেল, আৰু এইচ ৰাণাই দুটাকৈ উইকেট দখল কৰে।

০০০০

সমাপ্ত